# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-11-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::**

১। দুৰ্নীতিক শিপাৰে সৈতে নিৰ্মূল কৰা উচিত বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ মন্তব্য।

২। জনজাতিসকলৰ দ্ৰুত উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ বদ্ধপৰিকৰ বুলি কেন্দ্ৰীয় জনজাতি উন্নয়ন পৰিক্ৰমাদপ্তৰৰ মন্ত্ৰী জুৱেল অ'ৰামৰ মন্তব্য।

৩। ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলৰ ব্যাপক প্ৰচাৰ।

৪। তামিলনাডুৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত ৰঞ্জী ট্ৰফীৰ চাৰি দিনীয়া খেলখনত অসমৰ প্ৰথম ইনিংছত ১০৭ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি। ***আৰু***

৫। ডাৰবানৰ কিংছমিডত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টি-টুৱেণ্টি।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্নীতিক এটা ৰোগ বুলি উল্লেখ কৰি ইয়াক শিপাৰে সৈতে নিৰ্মূল কৰিব লাগে বুলি মত প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত কেন্দ্ৰীয় সতৰ্কতা আয়োগৰ সতৰ্কতা সজাগতা সপ্তাহৰ অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে এইদৰে কয়। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, চৰকাৰে দুৰ্নীতি নিবাৰণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰে ভালেমান পদক্ষেপৰ বিষয়ে উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰত্যক্ষ লাভ হস্তান্তৰ আঁচনি, ই-মাৰ্কেত প্লেছ আৰু অৰ্থনৈতিক অপৰাধী আইনৰ বিষয়েও আলোকপাত কৰে। ৰাষ্ট্ৰপতিয়ে কয় যে, কেন্দ্ৰীয় সতৰ্কতা আয়োগে চৰ্দাৰ বল্লভভাই পেটেলৰ জন্ম বাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই সপ্তাহ পালন কৰি অহা হৈছে। বিশ্বাসেই এখন সমাজৰ মূল ভেটি বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে সমাজত বিশ্বাসৰ অভাৱ ঘটায়। এইবেলি ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে সততাৰ সংস্কৃতিৰ মূলমন্ত্ৰৰে ২৮ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ এই সপ্তাহ পালন কৰা হয়। সতৰ্কতা সজাগতা সপ্তাহৰ লগতে আয়োগে ১৬ আগষ্টৰ পৰা ১৫ নৱেম্বৰলৈ তিনিমহীয়া প্ৰতিৰোধমূলক সতৰ্কতা অভিযানৰ আয়োজন কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু সংস্থাই এই অভিযানত ভাগ লৈছে।

০০০

জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ দ্ৰুত উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে কাম কৰি আহিছে বুলি কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জুৱেল অ'ৰামে আজি গুৱাহাটীত মন্তব্য কৰে। জনজাতি বসতি প্ৰধান অঞ্চলত ২৫ হাজাৰ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়

খেলপথাৰত অনুষ্ঠিত পূৰ্বোত্তৰ আদি মহোৎসৱত প্ৰকাশ কৰে। পূৰ্বোত্তৰ আদি মহোৎসৱ উদ্বোধন কৰি তেওঁ লগতে কয় যে, উত্তৰ-পূবৰ ৰাজ্যসমূহে জৈৱিক কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

*(বাইট)*

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, অহা ১৫ নৱেম্বৰত বিহাৰৰ জামুইত হ'বলগীয়া জনজাতি গৌৰৱ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব বুলি তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় মন্ত্ৰী অ'ৰামে আজি উদ্বোধন কৰা এই মহোৎসৱত উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ ১০৪ খ বিপনীয়ে অংশগ্ৰহণ কৰে। জনজাতীয় শিল্প-সংস্কৃতি, খাদ্য আৰু পণ্য প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে জনজাতীয় পৰিক্ৰমা মন্ত্ৰ্যালয় আৰু ট্ৰাইফইডে এই মহোৎসৱৰ আয়োজন কৰিছ। এই মহোৎসৱত ৰাজ্য চৰকাৰৰ শিক্ষা তথা জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooo

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰথম দিক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰ উপৰি অভিনয় জগতত দীৰ্ঘদিন ধৰি উল্লেখযোগ্য বৰঙণি আগবঢ়োৱাৰ বাবে বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়া আৰু সত্ৰীয় সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা কৰুণা বৰাক বিশ্ববিদ্যালয়খনে ডক্টৰেট ডিগ্ৰীৰে সন্মানিত কৰে। ৰাজ্যপালগৰাকীয়ে ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে আজিৰ অনুষ্ঠানটো সূচাৰুৰূপে আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক প্ৰশংসা কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে মাজুলীলৈ যোৱা ৰাজ্যপালগৰাকীয়ে আজি কমলাবাৰী ঘাট পৰিদৰ্শন কৰি ঘাটটোৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে অঞ্চলটোৰ গৰাখহনীয়া পৰিদৰ্শন কৰে। ভ্ৰমণৰ অংশ হিচাপে কাইলৈ তেওঁ উত্তৰ কমলাবাৰী সত্ৰ, বেঙেনাআঁটি সত্ৰ, চামগুৰি সত্ৰ আদি পৰিদৰ্শন কৰিব।

ooo

ৰাজ্যৰ ৫টা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনলৈ মাজত ৪টা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চিদলী আৰু বঙাইগাঁও বিধানসভা সমষ্টিত বিজেপি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। চিদলীৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী নিৰ্মল কুমাৰ ব্ৰহ্মৰ সমৰ্থনত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে বাসুগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাখনত সাংসদ জয়ন্ত বসুমতাৰী, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, মন্ত্ৰী অশোক সিংহলৰ লগতে বিজেপি আৰু ইউ পি পি এলৰ সমৰ্থক উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে বঙাইগাঁও সমষ্টিৰ বিজেপি মিত্ৰজোঁট সমৰ্থিত অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীৰ হৈ সমষ্টিটোৰ বিদ্যাপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত বিদ্যাপুৰ এলেকাৰ চম্পাৱতী নৈৰ ওপৰত ৰাইজৰ যাতায়তৰ সুবিধাৰ বাবে এখন দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ লগতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক ভোট দিবলৈ ৰাইজলৈ আহ্বান জনায়।

*(বাইট)*

চামগুৰি বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মাৰ হৈ আজি মন্ত্ৰী কেশৱ মহন্তই কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। এই প্ৰচাৰ সভাত প্ৰাৰ্থীগৰাকীৰ লগতে বিধায়ক ৰূপক শৰ্মা, বিজেপি আৰু অগপৰ কেইবাজনো নেতা উপস্থিত থাকে।

সমষ্টিটোত কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইনেও প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। বিহালী সমষ্টিত বিজেপি, কংগ্ৰেছ আৰু চি পি আই এম এলে প্ৰচাৰ চলাইছে। বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ হৈ আজি সাংসদ ৰঞ্জিত দত্তই বিহালীৰ বিহপুখুৰীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।

ooo

কৃষিমন্ত্ৰী অতুল বৰাই ৰাজ্যৰ নৱ প্ৰজন্মক বিদ্যালয়ৰ পাঠ্যক্ৰমৰ লগতে কৃষিৰ জ্ঞান তথা অভিজ্ঞতা আহৰণৰ সুবিধা প্ৰদান কৰা উচিত বুলি  প্ৰকাশ কৰিছে। মন্ত্ৰী বৰাই আজি যোৰহাট জিলাৰ চিনামৰাৰ এখন বিদ্যালয়ৰ ভূমিত শিক্ষাৰ্থীসকলৰ সৈতে ধান কটাৰ শুভাৰম্ভ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, যদিহে ৰাজ্যৰ শৈক্ষিক প্ৰতিষ্ঠানসমূহে বিদ্যালয় পৰ্যায়ৰ পৰা শিক্ষাৰ্থীসকলক কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ সক্ষম হয় তেতিয়া শিক্ষাৰ্থীসকলে বিভিন্ন বৃত্তিৰ লগতে কৃষি বিজ্ঞানী তথা কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী হ'ব। ইয়াৰ ফলত তেওঁলোক কৃষিকৰ্মৰ জৰিয়তে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে ৰাজ্যৰ অৰ্থনীতিয়ে এটা যোগাত্মক দিশ লাভ কৰিব। কৃষিভিত্তিক ৰাজ্য হিচাপে অসমত দক্ষ কৃষক আৰু কৃষি উদ্যোগীৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনে হাতত লোৱা এনে ধৰণৰ প্ৰচেষ্টাক মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰিছে। তেওঁ কয় যে, বিদ্যালয়ৰ গুণগত শিক্ষা প্ৰদানৰ সমান্তৰালকৈ বিদ্যালয়খনে বহনক্ষম কৃষি পদ্ধতিৰ প্ৰসাৰৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰিছে। তেওঁ ৰাজ্যৰ বহনক্ষম ভৱিষ্যত গঢ়ি তোলাৰ ক্ষেত্ৰত এনে ধৰণৰ পদক্ষেপক অনুকৰণ কৰি ৰাজ্যৰ অৰ্থনীতিক এটা নতুন মাত্ৰা প্ৰদান কৰাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনাইছে। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীসকলক কৃষিৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে ব্যৱহাৰিক জ্ঞান দিয়াৰ উদ্দেশ্যে তেওঁলোকৰ দ্বাৰা কঠিয়া ৰোপণ কৰা হৈছিল।

ooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ অন্যতম ট্ৰেডিং কেলেংকাৰীৰ প্ৰধান অভিযুক্ত বিশাল ফুকনৰ জামিন আবেদনৰ ভিত্তিত গোচৰৰ কেচ ডায়েৰী অহা ১৪ নৱেম্বৰত দাখিল কৰিবলৈ কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাক নিৰ্দেশ দিছে। বৰ্তমান কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ জিম্মাত থকা ফুকনে জামিন বিচাৰি গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল। ইফালে, ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই এই কেলেংকাৰীৰ গোচৰত অভিযুক্ত চুমি বৰাসহ আন ৩ জন অভিযুক্তক আজি চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰোৱাৰ অন্তত আদালতে তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

ooo

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ছট পূজা উপলক্ষে কাইলৈ ৮খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কাটিহাৰৰ পৰা মুজাফৰপুৰ, কাটিহাৰৰ পৰা দাওৰাম মাধপুৰা, কাটিহাৰৰ পৰা আনন্দবিহাৰ আৰু কাটিহাৰৰ পৰা মণিহাৰীলৈ চাৰিখন ৰে'লৰ ব্যৱস্থা কৰিছে। আনহাতে নিউ জলপাইগুৰিৰ পৰা পাটনালৈ, ফৰবেছগঞ্জৰ পৰা আগ্ৰালৈ, ডিব্ৰুগড়ৰ পৰা কলকাতা টাৰ্মিনেললৈ আৰু নাহৰলাগুনৰ পৰা হাপালৈ আন চাৰিখন ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে।

০০০

অসম আৰক্ষীয়ে ৰাজ্যখনত গৰুৰ চোৰাং সৰবৰাহ ৰোধ কৰাৰ বাবে অভিযান অব্যাহত ৰাখিছে। ইয়াৰ অংশ হিচাপে কামৰূপ মহানগৰৰ বশিষ্ঠ আৰক্ষীয়ে অভিযান চলাই যোৰাবাটৰ পৰা এখন ট্ৰাকেৰে মেঘালয়লৈ সৰবৰাহ কৰা অৱস্থাত কেইবাটাও গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে লগতে এই সৰবৰাহৰ লগত জড়িত থকাৰ অভিযোগত ৬ জন লোকক আটক কৰে। ইফালে যোৰাবাট আৰক্ষীয়ে পৃথককৈ চলোৱা অভিযানত নগাওঁৰ পৰা মেঘালয়লৈ সৰবৰাহ কৰিবলৈ চেষ্টা কৰা অৱস্থাত আন দুটা সৰবৰাহকাৰীক আটক কৰে।

০০০

গুৱাহাটীৰ চানমাৰীৰ শিক্ষক ভৱনত  কাইলৈ ৰাজ্যৰ প্ৰাথমিক শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ য়ে স্কুলীয়া শিক্ষাৰ মান উন্নত কৰিব শীৰ্ষক এই তৰ্ক প্ৰতিযোগিতাত ৰাজ্যৰ ভালেমান প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিব।  অসম ৰাজ্যিক প্ৰাথমিক শিক্ষা সন্মিলনীৰ মহাৰজত বৰ্ষৰ লগত সংগতি ৰাখি বছৰজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০

লুইত-জিষ্ঠ কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ উদ্যোগত কাইলৈ গুৱাহাটী প্ৰেছ ক্লাবত পিতৃ-মাতৃ বন্দনা সমাৰোহ অনুষ্ঠিত হ'ব। এই সমাৰোহ উপলক্ষে আই-পিতাইৰ মানসিক স্বাস্থ্য সজাগতা আৰু আমাৰ কৰ্তব্য শীৰ্ষক আলোচনাসভা আয়োজিত হ'ব। অনুষ্ঠানত ডেউকা শীৰ্ষক বাৰ্ষিক মুখপত্ৰখনো উন্মোচন কৰা হ'ব। এই অনুষ্ঠান আয়োজন কৰাৰ বাবে লুইত-জিষ্ঠ কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰশংসা কৰিছে।

০০০

দৰং জিলাৰ ধূলা থানাৰ অন্তৰ্গত এন চি গৰাপৰি গাঁৱত ঢেকীয়াপতিয়া বাঘৰ আক্ৰমণত এগৰাকী মহিলা আহত হয়। পথাৰলৈ গৈ থকা অৱস্থাত মহিলাগৰাকীক ঢেকীয়াপতিয়া বাঘটোৱে আক্ৰমণ কৰে। আহত মহিলাগৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে। বাঘটো ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহাৰ সন্দেহ কৰা হৈছে। বাঘটোক পিঞ্জৰাবদ্ধ কৰিবলৈ বন বিভাগৰ লোকে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইতিমধ্যে ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰ্যাঘ প্ৰকল্পৰ পৰা চেতনানাশক বন্দুক লৈ বিশেষজ্ঞৰ দল ঘটনাস্থলীত উপস্থিত হৈছে।

০০০

বজালী জিলাৰ বাঘমাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি ভাষা গৌৰৱ সপ্তাহৰ অংশ হিচাপে বৰ্ণাঢ্য শোভাযাত্ৰা উলিয়াই। এই শোভাযাত্ৰাত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী তথা কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে অসমীয়া ভাষাই  ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ বাবে সমগ্ৰ ৰাজ্যতে ৩ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ সপ্তাহযোৰা কাৰ্যসূচীৰে ভাষা গৌৰৱ সপ্তাহ পালন কৰা হৈছে। ইফালে কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিফু ক্লাৱত ভাষা গৌৰৱ সপ্তাহ পালন কৰা হয়। এই কাৰ্যসূচীৰ লগত

সংগতি ৰাখি কবি সন্মিলনৰ আয়োজন কৰা হয়।  অনুষ্ঠানত জিলাখনৰ ভালেমান কবিয়ে স্বৰচিত কবিতা পাঠ কৰে।  ইফালে ডিফুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগতো এই উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত জৈৱ ইন্ধনঃ ভৱিষ্যতৰ অৰ্থনীতি শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডঃ অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০

তামিলনাডুৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰাত চলি থকা ৰঞ্জী ট্ৰফীৰ চাৰি দিনীয়া খেলখনত অসমে প্ৰথম ইনিংছত ১০৭ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। তামিলনাডুৰ প্ৰথম ইনিংছত কৰা ৩৩৮ ৰানৰ প্ৰত্যুত্তৰত অসমে আজি তৃতীয় দিনা প্ৰথম ইনিংছত ৪৪৫ ৰান সংগ্ৰহ কৰে। দিনটোৰ খেলৰ সামৰণিত তামিলনাডুৱে এটাও উইকেট নেহেৰুৱাকৈ ৮ ৰান সংগ্ৰহ কৰিছে। আৰু এটা দিনৰ খেল বাকী থকা অৱস্থাত তামিলনাডু ৯৯ ৰানত পিছ পৰি আছে। উল্লেখযোগ্য যে আজি অসমৰ ইনিংছত অধিনায়ক ডেনিছ দাসে শতক অৰ্জন কৰাৰ লগতে স্বৰূপম পুৰকায়স্থই ৯০ আৰু শিৱশংকৰ ৰয়ে ৬৯ ৰান কৰে। ডেনিছ দাস ১০৯ ৰান কৰি আউট হয়।

০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি ডাৰবানৰ কিংছমিডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। খেলখনত ভাৰতীয় দলটোক সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিব। ভাৰত সম্প্ৰতি আই চি চিৰ পুৰুষৰ টি-টুৱেণ্টিৰ দলীয় বাছনি তালিকাত শীৰ্ষত থকাৰ বিপৰীতে দক্ষিণ আফ্ৰিকা ষষ্ঠ স্থানত আছে।

০০০

বি চি চি আইৰ অধীনৰ ১৯ বছৰ অনুৰ্ধৰ কোচবিহাৰ ট্ৰফীৰ খেলখনত বিহাৰে অসমক ৪৪ ৰানত পৰাস্ত কৰে। অসম ক্ৰিকেট সস্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত বৰপেটাত অনুষ্ঠিত খেলখনত অসমে ২০৮ ৰানৰ জয়ৰ লক্ষ্যৰে  খেলি ১৬৪ ৰান কৰিবলৈ হে সক্ষম হয়।

০০০

সমাপ্ত